# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 05-05-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*
**- - - - - - - - - - - - - -**

পঞ্চায়তৰ দ্বিতীয় তথা অন্তিম পৰ্যায়ৰ নিৰ্বাচনী প্ৰচাৰৰ আজি বিয়লি চাৰে ৪ বজাত সামৰণি পৰিছে। দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচন পৰহিলৈ অনুষ্ঠিত হ'ব। প্ৰচাৰ অভিযানৰ আজি অন্তিম দিনা বিভিন্ন ৰাজনৈতিক দলে ভোটদাতাক আকৰ্ষণৰ চেষ্টা চলায়।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি কেইবাখনো নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰি মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলোৱাৰ লগতে প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰা, সাংসদ প্ৰদ্যুৎ বৰদলৈ, ৰকিবুল হুছেইন, গৌৰৱ গগৈ, বিধানসভাৰ বিৰোধী দলপতি দেৱব্ৰত শইকীয়াও কেইবাখনো প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে।

মুখ্যমন্ত্ৰী ড০ শৰ্মাই আজি বকো-ছয়গাঁও বিধানসভা সমষ্টিৰ অন্তৰ্গত ছয়গাঁও মিনি ষ্টেডিয়ামত অগপ, বিজেপি আৰু ৰাভা-হাছং যৌথ সংগ্ৰাম সমিতিৰ প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। তেওঁ লগতে বজালী বিধানসভা সমষ্টিত বিজেপি আৰু অগপ মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ নিত্যানন্দ হাইস্কুল খেলপথাৰত আয়োজিত বিশাল বিজয় সংকল্প সমাৰেশত অংশগ্ৰহণ কৰে। ড০ শৰ্মাই আজি জাগীৰোডৰ ৰেলীত দলীয় প্ৰাৰ্থীৰ সমৰ্থনত প্ৰচাৰ চলায়। মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজ্য চৰকাৰৰ কল্যাণকামী আঁচনিসমূহৰ কথা উল্লেখ কৰি গ্ৰামাঞ্চলৰ উন্নয়ন সুনিশ্চিতকৰণৰ বাবে পঞ্চায়ত নিৰ্বাচনত বিজেপিক সমৰ্থন কৰিবলৈ আহ্বান জনায়। মন্ত্ৰী পীযূষ হাজৰিকাই আজি পঞ্চায়ত নিৰ্বাচন উপলক্ষে কামৰূপ মহানগৰ আৰু ডিমৰীয়া মণ্ডল সমিতিৰ উদ্যোগত দুৰুঙত আয়োজিত বিজয় সংকল্প সমাৰেশত অংশগ্ৰহণ কৰে।

কংগ্ৰেছৰ সাংসদ গৌৰৱ গগৈয়ে আজি ডিমৰীয়া আৰু চন্দ্ৰপুৰত পঞ্চায়ত নিৰ্বাচনৰ প্ৰচাৰ চলায়। অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই আজি প্ৰচাৰৰ শেষ দিনটোত বঙাইগাঁও জিলাত নিৰ্বাচনী সভাত অংশ লয়। ধুবুৰীৰ সাংসদ ৰকিবুল হুছেইনে চামগুৰি বিধানসভা সমষ্টিৰ অন্তৰ্গত ভকতগাঁও জিলা পৰিষদত দলীয় প্ৰাৰ্থীৰ সমৰ্থনত এটা ৰেলীত অংশগ্ৰহণ কৰে।

ইপিনে, পৰহিলৈ হ'বলগীয়া নিৰ্বাচনৰ বাবে জিলা প্ৰশাসনসমূহ সাজু হৈ উঠিছে। নিৰ্বাচনৰ সময়ত যাতে কোনো অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি নহয় তাৰ বাবে কেইবাখনো জিলাত কটকটীয়া নিৰাপত্তা ব্যৱস্থা গঢ়ি তোলা হৈছে।

০০০০০

ৰাজ্য চৰকাৰৰ বিদ্যালয় শিক্ষা বিভাগে শিক্ষকসকলৰ বদলিকৰণৰ বাবে অনলাইন আবেদনৰ সময়সীমা ২০ মে'লৈ বৃদ্ধি কৰিছে। এই সন্দৰ্ভত বিদ্যালয় শিক্ষা বিভাগৰ সচিব নাৰায়ণ কোঁৱৰে জাৰি কৰা

নিৰ্দেশনা অনুসৰি প্ৰাথমিক, মাধ্যমিক শিক্ষা সঞ্চালকালয় আৰু সমগ্ৰ শিক্ষাৰ অধীনৰ শিক্ষকসকলে একক অথবা পাৰস্পৰিক বদলিৰ বাবে WWW.HRMSASSAM.IN প'ৰ্টেলৰ জৰিয়তে ২০ মে'ৰ মাজ নিশাপৰ্যন্ত আবেদন কৰিব পাৰিব। এই ক্ষেত্ৰত কোনোধৰণৰ অফ লাইন আবেদন পত্ৰ গ্ৰহণ কৰা নহ'ব বুলি নিৰ্দেশনাটোত উল্লেখ কৰা হৈছে।

ooooo

জাপানৰ নিম্ন সদন হাউছ অৱ ৰিপ্ৰেজেণ্টেটিভছৰ অধ্যক্ষ নুকাগা ফুকুশ্বিৰ'ৰ নেতৃত্বত দেশখনৰ উচ্চ পৰ্যায়ৰ প্ৰতিনিধিৰ দলটো আজি তিনিদিনীয়া ভ্ৰমণ সামৰি অসমৰ পৰা উভতি গৈছে। ৰাজ্যৰ ক্ৰীড়া আৰু যুৱকল্যাণ মন্ত্ৰী নন্দিতা গাৰ্লোচাৰ লগতে ৰাজ্য চৰকাৰৰ শীৰ্ষ বিষয়াসকলে বৰঝাৰৰ লোকপ্ৰীয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমান বন্দৰত তেওঁলোকক আনুষ্ঠানিকভাৱে বিদায় সম্ভাষণ জনায়।

দলটোৱে কালি জাগীৰোডৰ ছেমি কণ্ডাক্টৰ প্ৰকল্পস্থলী পৰিদৰ্শন কৰে। মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী পীযুষ হাজৰিকা আৰু বিমল বৰাৰ উপস্থিতিত দলটোৱে প্ৰকল্পস্থলীৰ বিভিন্ন দিশৰ বুজ লয়। অধ্যক্ষগৰাকীৰ নেতৃত্বত জাপানৰ প্ৰতিনিধি দলটোৱে এই প্ৰকল্প পৰিদৰ্শন কৰি উৎসাহিত হোৱাৰ লগতে অসম তথা কেন্দ্ৰীয় চৰকাৰৰ সহযোগত কাম কৰি যাবলৈ আগ্ৰহ প্ৰকাশ কৰে। দলটোৰ এই ভ্ৰমণ সন্দৰ্ভত মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনলৈ এনেদৰে বিদেশী প্ৰতিনিধিৰ সঘনে আগমন হোৱাটো শুভ লক্ষণ বুলি মন্তব্য কৰে।

ইয়াৰ আগেয়ে জাপানৰ দলটোৱে আই আই টি গুৱাহাটীৰ আমিনগাঁৱত থকা আছিয়ান ৰান টেকনিকেল ডেভেলপমেণ্ট চেণ্টাৰ পৰিদৰ্শন কৰে। তেওঁলোকে কেন্দ্ৰটো পৰিদৰ্শন কৰি প্ৰস্তুতিৰ বুজ লয় আৰু জাপান চৰকাৰৰ উদ্যোগত শীঘ্ৰেই যুৱক-যুৱতীসকলক জাপানী ভাষাৰ লগতে বিভিন্ন কাৰিকৰী দিশত প্ৰশিক্ষণৰ সুবিধা প্ৰদানৰ ব্যৱস্থা কৰিব বুলি মত পোষণ কৰে। জাপানৰ নিম্ন সদনৰ অধ্যক্ষগৰাকীয়ে কেন্দ্ৰটো পৰিদৰ্শন কৰি কয়, যে তথ্য-প্ৰযুক্তি তথা মানৱ সম্পদেৰে ভাৰত সমৃদ্ধিশালী। জাপানত প্ৰতিষ্ঠিত হ'বলৈ বিচৰা মানৱ সম্পদক উদ্গনি যোগাবলৈ দেশখন আগ্ৰহী বুলি তেওঁ উল্লেখ কৰে। তদুপৰি আন্তঃগাঁথনি, নিৰ্মাণ, শিক্ষা, অৰ্থনীতি তথা ৰাজনৈতিক ক্ষেত্ৰতো গণতান্ত্ৰিক দেশ দুখনে সহযোগিতাৰে কাম কৰিব পাৰে বুলি তেওঁ উল্লেখ কৰে।

ooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অসমৰ মহিলাসকলৰ প্ৰতি অশোভনীয় মন্তব্য কৰাৰ অভিযোগ তুলি আজি অসম প্ৰদেশ মহিলা কংগ্ৰেছে অসম ৰাজ্যিক মহিলা আয়োগত লিখিত অভিযোগ দাখিল কৰে। মহিলা প্ৰদেশ কংগ্ৰেছৰ সভানেত্ৰী মীৰা বৰঠাকুৰ গোস্বামীৰ নেতৃত্বৰ এটা দলে এই অভিযোগ পত্ৰ দাখিল কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাৰ বিৰুদ্ধে ব্যৱস্থা ল'বলৈ দাবী জনায়। অসম প্ৰদেশ মহিলা কংগ্ৰেছে আজি এই সন্দৰ্ভত ৰাষ্ট্ৰীয় মহিলা আয়োগলৈও অভিযোগ পত্ৰ প্ৰেৰণ কৰিছে।

উল্লেখযোগ্য যে, পঞ্চায়ত নিৰ্বাচনৰ প্ৰচাৰৰ সময়ত মুখ্যমন্ত্ৰী ড০ শৰ্মাই মহিলাক লৈ অশোভনীয় মন্তব্য কৰাৰ অভিযোগ তুলি কালি উত্তৰ-পূব মহিলা কংগ্ৰেছে গুৱাহাটীত এখন সংবাদমেলৰ আয়োজন কৰিছিল। এই সংবাদমেলত অসম প্ৰদেশ মহিলা কংগ্ৰেছৰ সভানেত্ৰী মীৰা বৰঠাকুৰ গোস্বামীৰ উপৰি উত্তৰ-পূৰ্বাঞ্চলৰ আটাইকেইখন ৰাজ্যৰ মহিলা কংগ্ৰেছৰ সভানেত্ৰীসকলে অংশগ্ৰহণ কৰে। সংবাদমেলত দলটোৰ

সভানেত্ৰীসকলে মুখ্যমন্ত্ৰীগৰাকীৰ এই মন্তব্যৰ বিৰুদ্ধে আজি ৰাষ্ট্ৰীয় মহিলা আয়োগত গোচৰ তৰাৰ সিদ্ধান্ত লয়। তেওঁলোকে এই বিষয়টোৰ সংক্ৰান্তত চিবিআই তদন্তৰো দাবী জনায়।

00000

সমাপ্ত